* মাৰ্ক্সবাদী নাৰীবাদঃ মাৰ্ক্সবাদী নাৰীবাদ হৈছে নাৰীবাদৰ এনে এক গুৰুত্বপূৰ্ণ ধাৰা, যি মাৰ্ক্সবাদী অৰ্থনৈতিক দৰ্শনৰ ওপৰত আধাৰিত। এই তত্ত্বৰ মতে নাৰীৰ দমন আৰু উৎপীড়নৰ মূল কাৰণ হৈছে পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থা আৰু ব্যক্তিগত সম্পত্তিৰ প্ৰভাৱ। মাৰ্ক্সবাদী দৃষ্টিভংগী অনুসৰি সমাজত উৎপাদনৰ উপাদানসমূহ যেনে - ভূমি, কল-কাৰখানা, সম্পদ আদি যি সকলৰ নিয়ন্ত্ৰণত থাকে, তেওঁলোকে ক্ষমতাৰ অধিকাৰী হয়। ইতিহাসত এই উৎপাদনৰ উপাদানসমূহ পুৰুষৰ নিয়ন্ত্ৰণত থাকি অহাৰ ফলত নাৰী আৰ্থিকভাৱে পুৰুষৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে।

মাৰ্ক্সবাদী নাৰীবাদৰ মতে ব্যক্তিগত সম্পত্তি উৎভৱৰ লগে লগে পৰিয়ালৰ ব্যৱস্থাৰ গাঁথনি সলনি হ'লে ঘৰ আৰু নাৰীসকল ঘৰৰ কাম কাজ আৰু সন্তান পালনৰ মাজতে সীমাবদ্ধ হৈ পৰে। এই কামসমূহ সমাজৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ হ'লে ইয়াৰ কোনো আৰ্থিক মূল্য স্বীকাৰ কৰা নহয়। ফলত নাৰীৰ শ্ৰম অদৃশ্য হৈ থাকে আৰু তেওঁলোক আৰ্থিকভাৱে স্বাৱলম্বী হ'ব নোৱাৰে।

এই তত্ত্বৰ মতে পুঁজিবাদী ব্যৱস্থাই নাৰীক দুটা স্তৰত শোষণ কৰে – এটা ঘৰ ভিতৰত আৰু আনটো কৰ্মক্ষেত্ৰত। ঘৰৰ ভিতৰত নাৰীয়ে বিনামূলীয়া গৃহস্থালী কাম কৰে আৰু বাহিৰত তেওঁলোকক সস্তীয়া শ্ৰমিক হিচাপে ব্যৱহাৰ হয় যোগে নাৰীৰ দমন কেৱল লিংগ জনিত সমস্যা নহয় ই এক আৰ্থিক সমস্যা।

মাৰ্ক্সবাদী নাৰীবাদে যুক্তি আগবঢ়ায় যে নাৰীৰ

প্ৰকৃত মুক্তিৰ বাবে কেৱল আইনগত সমতাই যথেষ্ট নহয়। পুঁজিবাদী ব্যৱস্থা আৰু ব্যক্তিগত সম্পত্তিৰ প্ৰথা বিলুপ্ত কৰি উৎপাদন উপায় সমূহৰ সামাজিক মালিকানা প্ৰতিষ্ঠা কৰিব লাগিব। তেতিয়াহে আৰ্থিক সমতা নিশ্চিত হ'ব আৰু নাৰী পুৰুষৰ ওপৰত নিৰ্ভৰশীল হৈ নাথাকিব।

যদিও এই তত্ত্বৰ উপৰত সমালোচনা আছে যে ই নাৰীৰ সাংস্কৃতিক আৰু মানসিক সমস্যা সমূহৰ ওপৰত কম গুৰুত্ব দিয়ে তথাপি আৰ্থিক শোষণ আৰু শ্ৰেণীভিত্তিক বৈষম্য বিশ্লেষণ কৰাৰ ক্ষেত্ৰত মাৰ্ক্সবাদী নাৰীবাদীৰ অৱদান অত্যন্ত গুৰুত্বপূৰ্ণ।

## সমাজবাদী নাৰীবাদঃ

সমাজবাদী নাৰীবাদ হৈছে নাৰীবাদৰ এক গুৰুত্বপূৰ্ণ এক ধাৰা যিয়ে মাৰ্ক্সবাদী আৰু উগ্ৰনাৰীবাদী চিন্তাধাৰা একেলগে সংযুক্ত কৰি নাৰীৰ দমন আৰু উৎপীড়নৰ কাৰণ ব্যাখ্যা কৰে এই তত্ত্বৰ মতে নাৰীৰ অৱনতি কেৱল পুঁজিবাদী অৰ্থনীতি ব্যৱস্থাৰ ফল নহয় কেৱল পিতৃতান্ত্ৰিক সমাজব্যৱস্থাৰ ফলো নহয়। বৰঞ্চ এই দুয়োটা গাঁথনি মিলি নাৰীৰ ওপৰত দমন উৎপীড়ন চলাই আহিছে অৰ্থাৎ নাৰীৰ সমস্যা বুজিবলৈ হ'লে অৰ্থনৈতিক শোষণ আৰু লিংগ ভিত্তিক আধিপত্য এই দুয়োটা দিশ একেলগে বিশ্লেষণ কৰিব লাগিব।

সমাজবাদী নাৰীবাদৰ মতে পুঁজিবাদী নাৰীসকল সস্তীয়া শ্ৰমিক হিচাপে ব্যৱহাৰ কৰা হয় আৰু ঘৰুৱা কাম কাজ আৰু সন্তান পালন আদি দায়িত্ব বিনামূলীয়াকৈ তেওঁলোকৰ ওপৰত ন্যস্ত কৰা হয়। এই ঘৰুৱা কাম কাজৰ অৰ্থ সমাজৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ হলেও ইয়াৰ কোনো আৰ্থিক মূল্য স্বীকাৰ